**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেটৰ সাৰ্বভৌমত্ব আৰু ভৌগলিক অখণ্ডতা উলংঘনৰ কাৰ্যক গৰিহণা দিছে।

২। পশ্চিম এছিয়াত আজি পঞ্চম দিনাও সংঘৰ্ষ অব্যাহত আছে।

৩। ভাৰতীয় বিমান পৰিবহণ সংস্থাসমূহে পশ্চিম এছিয়াত আবদ্ধ হৈ থকা যাত্ৰীসকলৰ সুবিধাৰ্থে আজি ভাৰত আৰু পাৰস্য উপসাগৰীয় অঞ্চলৰ মাজত ৫৮খন বিমান চলাচল কৰাব।

৪। সমগ্ৰ দেশত আজি পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা পালন কৰা হৈছে।

**আৰু**

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেটৰ সাৰ্বভৌমত্ব আৰু ভৌগলিক অখণ্ডতা উলংঘনৰ কাৰ্যক গৰিহণা দিছে। কুৱেটৰ যুৱৰাজ শ্বেইখ ছাবাহ অল-খালেদ অল-হামাদ অল-মোবাৰক অল-ছাবাহৰ সৈতে টেলিফোন যোগে হোৱা কথাবতৰাত শ্ৰীমোদীয়ে কয় যে এই কঠিন মুহূৰ্ত ভাৰত কুৱেটৰ জনসাধাৰণৰ সৈতে আছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে আঞ্চিলক শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত আলোচনা আৰু কুটনীতিৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁ লগতে কুৱেটত থকা ভাৰতীয় লোকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অবিৰত সহায়-সহযোগিতাৰ বাবে দেশখনৰ নেতৃবৰ্গৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী লগতে কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাদ অল-থানিৰ সৈতেও বাৰ্তালাপ কৰে আৰু কাটাৰৰ প্ৰতি সমৰ্মিতা প্ৰকাশ কৰে।

ইয়াৰ পাছত শ্ৰীমোদীয়ে ওমানৰ ছুলতান হেইথাম বিন তাৰিকৰ সৈতে কথাপাতি পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে।

oooooooo

পশ্চিম এছিয়াত আজি পঞ্চম দিনাও সংঘৰ্ষ অব্যাহত আছে। ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুটীয়া সৈন্য বাহিনীয়ে টেহৰাণৰ পাৰমাণৱিক ক্ষেত্ৰসমূহক আঘাত হানিছে। প্ৰাপ্ত বাতৰি অনুসৰি ইজৰাইলে গোপন সূত্ৰৰ পমখেদি টেহৰাণৰ পাৰমাণৱিক অস্ত্ৰ বিকাশ কেন্দ্ৰক লক্ষ কৰি আক্ৰমণ চলাইছে। ইয়াৰ

ফলত কেন্দ্রটোৰ এটা অংশ বিনষ্ট হৈছে। ইজৰাইলে সংঘৰ্ষ আৰম্ভ হোৱাৰে পৰা দেশখনৰ বায়ু সেনা বাহিনীয়ে ইৰানৰ প্ৰায় তিনিশটা ক্ষেপনাস্ত্ৰ নিস্ক্ৰিয় কৰা বুলি দাবী কৰিছে। ইজৰাইলে লগতে লেবাননক লক্ষ্য কৰি আক্ৰমণ তীব্ৰতৰ কৰি তুলিছে আৰু হিজবুল্লাৰ প্ৰায় ৬০ টা ঘাটিত আঘাত হানিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰল কামাণ্ডৰ কামাণ্ডাৰ ব্ৰেড কুপাৰে কৈছে যে আমেৰিকাই আক্ৰমণ বন্ধ নকৰে আৰু ইৰানৰ প্ৰত্যাক্ৰমনৰ সামৰ্থ্য দ্ৰুতভাৱে হ্ৰাস পাইছে। এপিক ফিউৰী অভিযান সন্দৰ্ভত তেওঁ কয় যে অভিযানৰ আৰম্ভ হোৱাৰ ১০০ ঘণ্টাৰ কম সময়ৰ ভিতৰত আমেৰিকাই ইতিমধ্যে প্ৰায় ২ হাজাৰটা স্থানত লক্ষ্য কৰি লৈছে আৰু ২ হাজাৰৰো অধিক লোক হতা-হত হৈছে। তেওঁ কয় যে ইৰানৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা ক্ৰমাৎ দুৰ্বল হৈ পৰিছে আৰু দেশখনৰ শ শ বেলিষ্টিক ক্ষেপণাস্ত্ৰ, উৎক্ষেপণ সঁজুলি আৰু ড্ৰোণ ধ্বংস হৈছে। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজতে চাইপ্ৰাচৰ ওপৰত হোৱা আক্ৰমণৰ পাছত ব্ৰিটেইন আৰু ফ্ৰান্সে চাইপ্ৰাচত যুদ্ধ জাহাজ আৰু বিমান প্ৰতিৰক্ষা প্ৰণালী মোতায়ন কৰিছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমৰে সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ব্ৰিটেইনে ড্ৰোনেৰে সুসজ্জিত হেলিকপ্তাৰ প্ৰেৰণ কৰিছে। আৰু এছ্ এম এছ্ ড্ৰেগন নিয়োগ কৰা হৈছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'য়ে চাৰ্লছ্ ডি গ্লোড নামৰ বিমান পৰিবাহী জাহাজ ভূমধ্য সাগৰলৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিছে। ফ্ৰান্স অঞ্চলটোৰ সহযোগী ৰাষ্ট্ৰসমূহৰ সুৰক্ষা আৰু ভৌগলিক অখণ্ডতাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে।

ইপিনে ইৰানে পশ্চিম এছিয়াৰ কেইবাখনো দেশক লক্ষ্য কৰি বিমান আক্ৰমণ অব্যাহত ৰাখিছে। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কালি দেশখনৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই ১১ টা বেলিষ্টিক ক্ষেপণাষ্ট্ৰ আৰু ১২৩ টা ড্ৰোন ধবংস কৰে। মন্ত্ৰালয়ে লগতে ১টা ক্ষেপণাস্ত্ৰ ভূপতিত হয় যদিও ইয়াৰ ফলত কোনো লোক হতাহত হোৱা নাই বুলি জানিবলৈ দিয়ে।

oooooooo

ইৰানে পাৰমাণৱিক বোমা নিৰ্মাণ কৰাৰ কোনো প্ৰমাণ পোৱা হোৱা নাই বুলি আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থা IAEA-ৰ সঞ্চালক প্ৰধান ৰাফেল মেৰিয়ানো গ্ৰছিয়ে স্পষ্ট কৰি দিছে। ইৰানৰ পাৰমাণৱিক আঁচনিৰ বিষয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই কথা প্ৰকাশ কৰি বিষয়টোক লৈ তেওঁ সম্পূৰ্ণ অবগত বুলিও শ্ৰীগ্ৰছিয়ে উল্লেখ কৰে।

ooooooooo

ভাৰতীয় বিমান পৰিবহণ সংস্থাসমূহে পশ্চিম এছিয়াত আবদ্ধ হৈ থকা যাত্ৰীসকলৰ সুবিধাৰ্থে আজি ভাৰত আৰু পাৰস্য উপসাগৰীয় অঞ্চলৰ মাজত ৫৮খন বিমান চলাচল কৰাব। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে ভাৰতীয় বিমান পৰিবহণ সংস্থাসমূহে আজি ৫৮খন বিমান চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে। ইণ্ডিগোই ৩০খন আৰু এয়াৰ ইণ্ডিয়া তথা এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে ২৩ খন বিমানৰ দিহা কৰিছে।

oooooooo

অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ এশ্বমোলিয়ন সংগ্ৰহালয়ে ভাৰতৰ সন্ত তিৰুমানকাই আলৱৰৰ ষোড়শ শতিকাৰ এটা মূৰ্তি ওভতাই দিছে। তামিলনাডুৰ তাড়িকোম্বুত অৱস্থিত শ্ৰীসৌন্দৰাৰাজা পেৰুমল মন্দিৰত এই মূৰ্তিটো পুনৰ স্থাপন কৰা হ'ব। পূৰ্বে শ্ৰীসৌন্দৰাৰাজা পেৰুমল মন্দিৰতেই থকা এই মূৰ্তিটো ১৯৬৭ চনত হোৱা নিলামৰ জৰিয়তে সংগ্ৰহালয়টোৱে লাভ কৰিছিল। কালি সন্ধিয়া আনুষ্ঠানিক প্ৰক্ৰিয়াৰ জৰিয়তে মূৰ্তিটো ভাৰতলৈ হস্তান্তৰ কৰা হয়।

০০০০০০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা পালন কৰা হৈছে। এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয় আৰু বসন্ত ঋতুৰ আগমনৰ প্ৰতীক।

দেশৰ আন ঠাইৰ লগতে অসমতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আজি দ্বিতীয় ভৰদৌল উপলক্ষে পুৱাৰেপৰা অগণন লোকৰ সত্ৰ চৌহদলৈ আগমন ঘটিছে। পৰহিলৈ সত্ৰত সুঁৱেৰী পালন কৰা হ'ব। গোসাঁইৰ গাত ফাকু গুৰি ছটিয়াই সেৱা জনাবলৈ সত্ৰৰ চৌহদত প্ৰতিবছৰৰ দৰে এইবাৰো অগনন লোকৰ সমাগম হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। দৌল উৎসৱৰ আজি তৃতীয় দিনা নাম প্ৰসংগ আৰম্ভ হৈছে। মহাপূজাৰ পাছত সন্ধিয়া প্ৰভুক আবিৰ সনা হ'ব আৰু নিশাৰ ভাগলৈ ভক্তসকলে পৰস্পৰক ফাকু গুৰি সানিব।

কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিৰেপৰা দৌল উৎসৱ উদযাপন কৰা হৈছে। দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গোটেই নিশা গোসাঁইক ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হয়। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয়া অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিবেশন কৰা হয়।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত ফল্গুৎসৱ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত কালি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। আজি মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

ৰাষ্ট্ৰপ্ৰতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয় যে ৰঙৰ এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ মৰম ভালপোৱা আৰু আশাৰ বতৰা কঢ়িয়াই আনে আৰু একতাৰ তথা ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰে। তেওঁ লগতে এই উৎসৱে সকলোৰে জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আৰু সকলো নাগৰিককে এখন সমৃদ্ধশালী ৰাষ্ট্ৰ গঢ়াৰ বাবে একেলগে কাম কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয় যে এই উৎসৱে ভাতৃত্ববোধ আৰু ভাৰতীয় সমাজৰ প্ৰাণৱন্ত ভাবনাক প্ৰতিফলিত কৰে। তেওঁ কয় যে দেশৰ চহকী পৰম্পৰাৰ সৈতে গভীৰ ভাবে সংপৃক্ত হৈ থকা ৰঙৰ উৎসৱ ফাকুৱাই পাৰস্পৰিক সন্মান আৰু উমৈহতীয়া আনন্দক প্ৰতিফলিত কৰে আৰু সমাজৰ এনাজৰী সুদৃঢ় কৰে।

প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয় যে হোলীৰ উৎসৱে বাতাবৰণত নতুন উদ্যমৰ সঞ্চাৰ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে এই উৎসৱে সকলোৰে জীৱনত আনন্দ, সমৃদ্ধি আৰু সফলতাৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলা, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও হোলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। কাইলৈ মুম্বাইত হ'বলগীয়া  দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত, ইংলেণ্ডৰ মুখামুখি হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০০

সমাপ্ত